# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 07-05-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। সিন্দূৰ অভিযান সন্দৰ্ভত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ। অভিযান সফলতাৰে সম্পন্ন কৰাৰ বাবে সশস্ত্ৰ বাহিনীসমূহক প্ৰধানমন্ত্ৰীৰ প্ৰশংসা।

২। অভিযানত অসামৰিক লোকৰ হানি-বিঘিনি নোহোৱাটো নিশ্চিত কৰি সশস্ত্ৰ বাহিনীয়ে সংবেদনশীলতাৰ পৰিচয় দিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ মন্তব্য।

৩। সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সম্পৰ্কে সজাগতা সৃষ্টিৰ বাবে আজি দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো সতৰ্কতামূলক অনুশীলন।

৪। মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতা নাইট ৰাইডাৰ্ছ আৰু চেন্নাই ছুপাৰ কিংছৰ মুখামুখি।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু সিন্দুৰ অভিযানৰ বিষয়ে অৱগত কৰে। ভাৰতে পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ কেইবাটাও সন্ত্ৰাসবাদী ঘাটিত সিন্দুৰ অভিযান চলোৱাৰ পাছতেই অনুষ্ঠিত এই বৈঠকে বিশেষ তাৎপৰ্য বহন কৰিছে।

oooooo

সেনাবাহিনীয়ে যোৱা মাজনিশা ১ বাজি ৫ মিনিটৰ পৰা ডেৰ বজাৰ ভিতৰত পাকিস্তান আৰু পাকিস্তান অধিকৃত জম্মু-কাশ্মীৰৰ সন্ত্ৰাসবাদীৰ ঘাটি থকা ৯ খন স্থানত আক্ৰমণ চলাই **অপাৰেচন সিন্দূৰ** আৰম্ভ কৰে। পাকিস্তানৰ বাহাৱালপুৰৰ মাৰ্কাছ ছুভান আল্লা, মাৰ্কাছ টাইবা মুৰিদ্‌কে আৰু মেহমুনা জয়া আৰু শিয়ালকোটৰ সৰ্জল সন্ত্ৰাসবাদী শিবিৰত ক্ষেপণাস্ত্ৰ আৰু ড্ৰোনেৰে আক্ৰমণ চলোৱা হয়। পাকিস্তান অধিকৃত জম্মু কাশ্মীৰৰ ছাৱাইনালা, মুজফ্‌ফৰবাদৰ চৈয়দ না বিলাল, কোটলি গুলপুৰ, বিম্বাৰ আৰু কোটলি আববাছৰ সন্ত্ৰাসবাদী শিবিৰো ধ্বংস কৰা হয়। আজি নতুন দিল্লীত আয়োজিত এখন সংবাদমেলত এই অভিযানৰ সবিশেষ তথ্য প্ৰকাশ কৰি সেনাবাহিনীৰ কৰ্ণেল ছ'ফিয়া কুৰেচি আৰু বায়ুসেনাৰ ৱিং কমাণ্ডাৰ ব্যমিকা সিঙে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ ভুক্তভোগীসকলক ন্যায় দিয়াৰ বাবে অপাৰেচন সিন্দূৰ আৰম্ভ কৰা হয় বুলি প্ৰকাশ কৰে। এই আক্ৰমণত কোনো পাকিস্তানী সামৰিক ঘাটিক লক্ষ্য কৰি লোৱা হোৱা নাই বুলি তেওঁলোকে প্ৰকাশ কৰে।

**বাইট (ছ'ফিয়া কুৰেচি)**

সংবাদমেলত বৈদেশিক পৰিক্ৰমা সচিব বিক্ৰম মিশ্ৰীয়ে ভাৰতে এই অভিযান সীমিত আৰু নিৰ্দিষ্ট লক্ষ্যৰে চলোৱা হৈছিল বুলি উল্লেখ কৰে। তেওঁ কয়, যে জম্মু-কাশ্মীৰৰ পৰ্যটন খণ্ডত ঋণাত্মক প্ৰভাৱ পেলোৱা তথা অঞ্চলটোকে ধৰি সমগ্ৰ দেশত সাম্প্ৰদায়িক অস্থিৰতা সৃষ্টি কৰাৰ উদ্দেশ্যে পেহেলগামত সন্ত্ৰাসবাদী আক্ৰমণ চলোৱা হৈছিল। ৰেচিষ্টেঞ্চ ফ্ৰন্ট নামৰ এটা সন্ত্ৰাসবাদী গোটে পেহেলগাম আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰা বুলি উল্লেখ কৰি শ্ৰী মিশ্ৰীয়ে কয়, যে লস্কৰ-ই-তৈবাৰ সৈতে এই গোটৰ সম্পৰ্ক আছে। তদুপৰি এই আক্ৰমণৰ সৈতে পাকিস্তান জড়িত থকাৰ প্ৰমাণো পোৱা গৈছে। পেহেলগাম আক্ৰমণৰ অন্তৰালৰ ষড়যন্ত্ৰকাৰীসকলৰ বিচাৰ কৰাটো আৱশ্যকীয় বুলি তেওঁ প্ৰকাশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সিন্দূৰ অভিযান সফলতাৰে সম্পন্ন কৰাৰ বাবে সশস্ত্ৰ বাহিনীসমূহক ভূয়সী প্ৰশংসা কৰিছে।তেওঁ আজি নতুন দিল্লীত পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিশোধকল্পে চলোৱা এই অভিযানৰ বিষয়ে মন্ত্ৰীসভাক অৱগত কৰে। বৈঠকত তেওঁ কেন্দ্ৰীয় মন্ত্ৰীসকলৰো শলাগ লয়। ইপিনে, চৰকাৰে অপাৰেচন সিন্দূৰ অভিযান সন্দৰ্ভত কাইলৈ দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। বৈঠকত চৰকাৰে ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলক এই অভিযানৰ বিষয়ে অৱগত কৰিব।

ooooo

সিন্দুৰ অভিযানৰ সময়ত অসীম বীৰত্ব আৰু সাহস প্ৰদৰ্শনেৰে সশস্ত্ৰ বাহিনীসমূহে ইতিহাস ৰচনা কৰিছে বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মন্তব্য কৰিছে। নতুন দিল্লীত আজি সীমান্ত পথ সংস্থাই ছখন ৰাজ্য আৰু দুটা কেন্দ্ৰীয় শাসিত অঞ্চলত ৰূপায়ণ কৰা ৫০টা প্ৰকল্প উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। তেওঁ কয় যে এই অভিযানৰ অধীনত সশস্ত্ৰ বাহিনীসমূহে নিখুঁট, সতৰ্ক আৰু সংবেদনশীলতাৰে ব্যৱস্থা গ্ৰহণ কৰি পৰিকল্পিত কৌশলৰ অংশ হিচাপে নিৰ্ধাৰিত লক্ষ্য ধ্বংস কৰিবলৈ সমৰ্থ হৈছে।

**বাইট (ৰাজনাথ সিং-১)**

তেওঁ লগতে কয় যে এই অভিযানৰ সময়ত অসামৰিক লোকৰ হানি-বিঘিনি নোহোৱাটো নিশ্চিত কৰি সশস্ত্ৰ বাহিনীয়ে সংবেদনশীলতাৰ পৰিচয় দিছে। ভাৰতে সিন্দুৰ অভিযান চলোৱাৰ বাবে সঁহাৰি জনোৱাৰ অধিকাৰ প্ৰয়োগ কৰিছে আৰু সুবিবেচনাৰে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি শ্ৰীসিঙে প্ৰকাশ কৰে। তেওঁ কয় যে সন্ত্ৰাসবাদীসকলক সমুলাঞ্চে উৎখাত কৰাৰ বাবে সিন্দুৰ অভিযান ৰূপায়ণ কৰা হয়। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সশস্ত্ৰ বাহিনীসমূহে সন্ত্ৰাসবাদীৰ ঘাটি ধ্বংস কৰি সমিচীন প্ৰত্যুত্তৰ দিছে।

ooooo

সিন্দূৰ অভিযানৰ পাছত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি সীমান্তৱৰ্তী ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী, আৰক্ষী সঞ্চালক প্ৰধান আৰু মুখ্য সচিবসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত জম্মু-কাশ্মীৰ, পাঞ্জাব, ৰাজস্থান, গুজৰাট, ছিকিম, উত্তৰ প্ৰদেশ, বিহাৰ আৰু পশ্চিম বংগৰ মুখ্যমন্ত্ৰীৰ লগতে লাডাখ আৰু জম্মু কাশ্মীৰৰ উপ-ৰাজ্যপালে অংশ লয়।

ooooo

সেনাবাহিনীয়ে পাকিস্তান আৰু পাকিস্তান অধীকৃত কাশ্মীৰৰ সন্ত্ৰাসবাদী ঘাটিত সফলতাৰে চলোৱা আক্ৰমণ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰতিৰক্ষা বাহিনীক অভিনন্দন জ্ঞাপন

কৰে। তেওঁ কয় যে এই প্ৰত্যাহ্বানপূৰ্ণ পৰিস্থিতিত সমগ্ৰ ভাৰতবাসী এক হৈ থাকিব আৰু কোনো কাৰণতে দেশৰ স্বাভিমানক আঘাত হ'বলৈ দিয়া নহ'ব।

**ৰাইট (মুখ্যমন্ত্ৰী)**

০০০০০০

সম্ভাব্য যুদ্ধকালীন পৰিস্থিতি সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে আজি দেশৰ বিভিন্ন স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হৈছে। কেন্দ্ৰীয় গৃহমন্ত্ৰালয়ৰ নিৰ্দেশ অনুসৰি দেশৰ ২৫৯টা স্থানত সতৰ্কতামূলক অনুশীলন চলোৱা হৈছে। ইয়াৰ ভিতৰত ৰাজধানী দিছপুৰ, গুৱাহাটীৰ বাকী অংশ, বঙাইগাঁও, ডিব্ৰুগড়, ধুবুৰী, তেজপুৰ, লখিমপুৰ, গোৱালপাৰা, যোৰহাট, শিৱসাগৰ, তিনিচুকীয়া, ডিগবৈ, নাহৰকটীয়া, দুলীয়াজান, নাজিৰা, টিংখং, নামৰূপ, ৰঙিয়া, উত্তৰ লখিমপুৰ, বোকাখাট, নুমলীগড়, দৰং, গোলাঘাট, কাৰ্বি আংলং আৰু কোকৰাঝাৰকে ধৰি ৰাজ্যৰ ২০টা স্থান আছে।

গুৱাহাটী মহানগৰৰ কাহিলীপাৰাত দশম আৰক্ষী বেটেলিয়ন চৌহদত আজি বিয়লি সতৰ্কতামূলক অনুশীলন সম্পন্ন হয়। ইয়াৰ জৰিয়তে যুদ্ধকালীন পৰিস্থিতিত আকাশমাৰ্গেৰে হ'ব পৰা আক্ৰমণৰ সময়ত ল'বলগীয়া সতৰ্কতা আৰু উদ্ধাৰ অভিযান কৰা হয়। অনুশীলনত প্ৰতীকী বোমা বিস্ফোৰণৰ লগে লগে চাইৰেণ বাজি উঠে আৰু ইয়াৰ কিছু সময়ৰ পাছতে অগ্নিনিৰ্বাপক বাহিনীয়ে জুই নুমুৱাবলৈ আৰম্ভ কৰে। একে সময়তে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে উদ্ধাৰ অভিযান ৰূপায়ণ কৰে।

শিৱসাগৰ জিলাৰ দৌলমুখ চাৰিআলিৰ লগতে আন দুটা স্থানত আজি এই সতৰ্কতামূলক অনুশীলন চলোৱা হয়। এই অনুশীলনৰ জৰিয়তে জৰুৰীকালীন অৱস্থাত ৰাইজ কিদৰে সুৰক্ষিত হৈ থাকিব পাৰে সেই বিষয়ে প্ৰদৰ্শন কৰা হয়। কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশনা অনুসৰি আজি গোলাঘাট জিলা প্ৰশাসন আৰু অসামৰিক প্ৰতিৰক্ষা বিভাগৰ দ্বাৰা আজি জিলাখনৰ বি এছ এন এলৰ কাৰ্যালয়ৰ প্ৰাংগণ আৰু নুমলীগড় শোধনাগাৰ লিমিটেড প্ৰাঙ্গনত সতৰ্কতামূলক অনুশীলন চলোৱা হয়। সন্ধিয়া ৭ বাজি ১০ মিনিটলৈ জিলাখনত ব্লেক আউট বা নিষ্প্ৰদীপ অনুশীলন চলোৱা হ'ব। এই সময়ছোৱাত জনসাধাৰণক বাসগৃহ বা অন্য স্থানত লাইট বন্ধ কৰি ৰখাৰ লগতে খিৰিকি বন্ধ কৰি পৰ্দা আঁৰি সজাগ হৈ থাকিবলৈ আহ্বান জনোৱা হৈছে।

যোৰহাট জিলাতো আজি বিয়লি ৪ বজাৰ পৰা মকড্ৰিল অনুষ্ঠিত হৈছে। জিলাখনত সন্ধিয়া ৭ বজাৰ পৰা ৭ বাজি ১০ মিনিটলৈ ব্লেকআউট অনুশীলন কৰা হ'ব।

ডিব্ৰুগড় নগৰৰ ক'ল ৰোডত আজি এই সতৰ্কতামূলক অনুশীলন অনুষ্ঠিত হয়। এই অনুশীলনত অসম আৰক্ষী, এন ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনীকে ধৰি বিভিন্ন বিভাগে জৰুৰীকালীন সময়ত সুৰক্ষাৰ বাবে ল'বলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

কোকৰাঝাৰত জিলা প্ৰশাসনে কোকৰাঝাৰ ৰে'ল ষ্টেচনত বিশেষ সতৰ্কতামূলক অনুশীলনৰ আয়োজন কৰে। এই অনুশীলনত অসামৰিক প্ৰতিৰক্ষা, আৰক্ষী, অগ্নিনিৰ্বাপক আৰু জৰুৰীকালীন সেৱা, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী, জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ, স্বাস্থ্য বিভাগ, বিদ্যুৎ বিভাগ আৰু তথ্য আৰু জনসংযোগ বিভাগে অংশগ্ৰহণ কৰে।

অন্যান্য জিলাৰ লগতে বঙাইগাঁও জিলাতো আজি এই সতৰ্কতামূলক অনুশীলন চলোৱা হয়।

ধুবুৰী জিলা প্ৰশাসনে আজি বিয়লি ৰজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত মকড্ৰিল অনুষ্ঠিত হয়। এই কাৰ্যসূচীত শিক্ষাৰ্থীসকলৰ লগতে সাধাৰণ নাগৰিকক যুঁজাৰু বিমানৰ ছাইৰেণ বাজিলে তেওঁলোকে কি কৰিব লাগিব সেই সম্পৰ্কে পৰামৰ্শ দিয়া হয়।

কামৰূপ, লখিমপুৰ আৰু কাৰ্বি আংলং জিলাতো আজি মকড্ৰিল অনুষ্ঠিত হয়। এই অনুশীলনৰ সময়ছোৱাত বিমান আক্ৰমণৰ সময়ত ছাইৰেণ ব্যৱস্থাৰ সক্ৰিয়কৰণ, সাধাৰণ লোক বিশেষকৈ ছাত্ৰ-ছাত্ৰীৰ সুৰক্ষা নিশ্চিত কৰা, হঠাৎ নিস্প্ৰদীপ বা ব্লেকআউট হ'লে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেই বিষয়ত সজাগ কৰা, আপাতকালীন পৰিস্থিতিত দ্ৰুত উদ্ধাৰ আৰু গুৰুত্বপূৰ্ণ কাৰখানা বা ঘাটিত নিৰাপত্তা নিশ্চিতকৰণ আদি বিষয়ত প্ৰশিক্ষণ দিয়া হয়।

০০০০০

মধ্য আৰু নামনি অসমৰ ১৩ খন জিলাত পঞ্চায়ত নিৰ্বাচনৰ দ্বিতীয় তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে।

ৰাজ্যিক নিৰ্বাচন আয়োগৰ সূত্ৰ অনুসৰি বিয়লি চাৰে ৩ বজালৈকে নলবাৰী জিলাত ৫৯ দশমিক ৪-৫ শতাংশ, দক্ষিণ শালমাৰা জিলাত ৫৮ শতাংশ, গোৱালপাৰা জিলাত ৫৬ দশমিক ২-২ শতাংশ, বঙাইগাঁও জিলাত ৬২ দশমিক ৭-২ শতাংশ, বৰপেটা জিলাত ৬০ দশমিক ২-২ শতাংশ, বজালী জিলাত ৫৭ শতাংশ, কামৰূপ জিলাত ৫১ দশমিক ৩-৩ শতাংশ, কামৰূপ মহানগৰ জিলাত ৫৬ দশমিক ৮-৪ শতাংশ, হোজাই জিলাত ৫৭ দশমিক ৬-৫ শতাংশ, নগাঁও জিলাত ৫১ দশমিক ৭ শতাংশ, মৰিগাঁও জিলাত ৬০ দশমিক ১-৫ শতাংশ আৰু দৰং  জিলাত ৫৩ দশমিক ২-৫ শতাংশ ভোটদান হয়। ভোটদানৰ চূড়ান্ত হাৰ আজি নিশাৰ ভাগত ৰাজ্যিক নিৰ্বাচন আয়োগে প্ৰকাশ কৰাৰ সম্ভাৱনা আছে।

আজি ভোটগ্ৰহণ চলি থকাৰ মাজতে হোজাইৰ ধলপুখুৰী গাঁও পঞ্চায়তৰ ৫৬১ নম্বৰ ভোটকেন্দ্ৰত দায়িত্বত থকা প'লিং বিষয়া এজন হৃদৰোগত আক্ৰান্ত হোৱাত অসুস্থ বিষয়াজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। অৱশ্যে কিছু সময়ৰ বিৰতিৰ পাছত নতুন প'লিং বিষয়াই দায়িত্ব গ্ৰহণ কৰি ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়ে বুলি আমাৰ হোজাইৰ সংবাদদাতাই জনাইছে।

কামৰূপ জিলাৰ আমিনগাঁৱত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পঞ্চায়ত নিৰ্বাচনৰ ভোটদান কৰে। মন্ত্ৰী পীযূষ হাজৰিকাই মৰিগাঁও জিলাৰ আঁহতগুৰিৰ মৰাকলং এল পি স্কুলৰ ভোটকেন্দ্ৰত ভোটদান কৰে। নগাঁও জিলাৰ বেঙেনাআটি প্ৰাথমিক বিদ্যালয়ৰ ভোটকেন্দ্ৰত কংগ্ৰেছৰ সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে নিজৰ ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

উল্লেখযোগ্য যে ৰাজ্যখনত যোৱা ২ মে'ত পঞ্চায়ত নিৰ্বাচনৰ প্ৰথম পৰ্যায়ত ১৪ খন জিলাত ৭০ দশমিক ১-৯ শতাংশ ভোটদান সম্পন্ন হৈছিল। অহা ১১ মে'ত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০০

কাছাৰ আৰক্ষীয়ে আজি জিলাখনৰ শালচাপৰা অঞ্চলৰ পৰা বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক আটক কৰে। গোপন সূত্ৰৰ ভিত্তিত কালি বিয়লি আৰক্ষীয়ে অভিযান আৰম্ভ কৰি অঞ্চলটোত এখন চাৰিচকীয়া বাহনত তালাচী চলায়। বাহনখনৰ পৰা ৮৪৭ গ্ৰাম হেৰ'ইন আৰু ৪ কিলোগ্ৰামৰো অধিক আফিং জব্দ কৰাৰ লগতে দুজন সৰবৰাহকাৰীক আটক কৰে। কাচাৰ জিলা আৰক্ষীৰ অধীক্ষক নোমল মাহাট্টাই আমাৰ সংবাদদাতাৰ আগত প্ৰকাশ কৰা মতে নিচাজাতীয় সামগ্ৰীখিনিৰ বজাৰ মূল্য প্ৰায় চাৰে চাৰি কোটি টকা। মণিপুৰৰ চুৰাচান্দপুৰৰ পৰা এই মাদকদ্ৰব্যসমূহ অনা হৈছিল বুলি আৰক্ষী অধীক্ষকগৰাকীয়ে প্ৰকাশ কৰিছে।

০০০০০

শিলচৰৰ অসম বিশ্ববিদ্যালয়ৰ সমাজকৰ্ম বিভাগৰ সহকাৰী অধ্যাপক অজিত কুমাৰ জেনাক ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগত বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই ৯০ দিনৰ বাবে সাময়িকভাৱে নিলম্বন কৰিছে। বিশ্ববিদ্যালয়খনৰ তিনিগৰাকী ছাত্ৰীয়ে অধ্যাপকজনৰ বিৰুদ্ধে লিখিত অভিযোগ দাখিল কৰাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই তদন্তৰ আওঁতালৈ আনি আৰক্ষীৰ সৈতে সহযোগিতা কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু অধ্যাপক জেনাই আৰক্ষীৰ সৈতে সহযোগ নকৰা বুলি বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই আমাৰ সংবাদদাতাক জানিবলৈ দিয়ে। বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যাপক জেনাৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰি পৰিস্থিতি জটিল কৰি তোলাত আজি বিশ্ববিদ্যালয়ৰ প্ৰশাসনিক ভৱনৰ চৌপাশে আৰক্ষী মোতায়েন কৰিবলগীয়া হয়।

ooooo

পানবজাৰ আৰক্ষীয়ে আজি গুৱাহাটীৰ ৰে'ল ষ্টেচনত শিলচৰ-কইম্বাটুৰ এক্সপ্ৰেছৰ পৰা বুজন পৰিমাণৰ নিচাযুক্ত টেবলেট জব্দ কৰে। আৰক্ষীয়ে গোপন সূত্ৰৰ পম খেদি ৰে'লগাড়ীখনত অভিযান চলাই পাৰবিনা খাতুন বিবি নামৰ মহিলাগৰাকীৰ পৰা ২০ হাজাৰ নিচাযুক্ত টেবলেট জব্দ কৰে। আৰক্ষীয়ে মহিলাগৰাকীক আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত কলকাতা নাইট ৰাইডাৰ্ছ চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত